## অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান খণ্ড

# আমাৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক জীৱন

## আগকথা





এখন দেশৰ মূল কাৰ্যসমূহৰ ভিতৰত অৰ্থনৈতিক আৰু ৰাজনৈতিক কাৰ্যসমূহ অন্যতম। এই দুয়োটা দিশৰ ওপৰত দেশৰ সামগ্ৰিক নিৰাপত্তা নিৰ্ভৰ কৰে। সেয়েহে অৰ্থনৈতিক আৰু ৰাজনৈতিক কাৰ্যকলাপ, গতি-বিধি সম্পৰ্কে সমাজ সদায় সচেতন। তাতে ভাৰতবৰ্ষৰ দৰে বিশাল গণতান্ত্ৰিক দেশ এখনত এই দিশ দুটাৰ তাৎপৰ্য ইমানেই বেছি যে সমাজৰ সকলো শ্ৰেণীৰ নাগৰিকে ইয়াক জনা বা বুজাটো অতি প্ৰয়োজনীয়। পৰিবৰ্তিত সময়ৰ লগত ফেৰ মাৰিব পৰাকৈ আমাৰ দেশৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থা কিমান সবল বা দুৰ্বল তাক জনা, মতামত দিয়া আৰু প্ৰয়োজনত সিদ্ধান্ত গ্ৰহণ কৰা আমাৰ সকলোৰে কৰ্তব্য। এই উদ্দেশ্য আগত ৰাখি উচ্চ প্ৰাথমিক স্তৰৰ বিদ্যালয়ৰ পৰা স্নাতকোত্তৰ পৰ্যায়ৰ পাঠ্যক্ৰম পৰ্যন্ত এই দুয়োটা বিষয়ক যথেষ্ট গুৰুত্ব সহকাৰে সন্নিবিষ্ট কৰা হৈছে যাতে ছাত্ৰ-ছাত্ৰীসকলৰ মনত বিষয় দুটাই সৰুকালৰ পৰাই মনোযোগ আকৰ্ষণ কৰিব পাৰে। বৰ্তমান আমাৰ ৰাজ্যত প্ৰাথমিক স্তৰৰ পৰা উচ্চতৰ মাধ্যমিক পৰ্যন্ত শৈক্ষিক পাঠ্যক্ৰমসমূহ 'ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ আধাৰ, ২০০৫'ৰ ভিত্তিত প্ৰস্তুত কৰা হৈছে। এই পাঠ্যক্ৰমে সমাজ বিজ্ঞান বিষয়টোক মূল বিষয় হিচাপে গণ্য কৰি ইয়াৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক ভূগোল বিজ্ঞান আৰু ইতিহাসৰ লগতে অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞানৰ বিভিন্ন দিশৰ ওপৰত জ্ঞান আহৰণ কৰাৰ অৱকাশ ৰাখিছে। ইতিমধ্যে ষষ্ঠ শ্ৰেণীৰ পৰা আৰম্ভ হোৱা সমাজ বিজ্ঞানৰ পাঠ্যপুথিত 'আমাৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক জীৱন' শীৰ্ষক খণ্ডটিৰ জৰিয়তে উল্লিখিত বিষয় দুটাৰ ওপৰত ছাত্ৰ-ছাত্ৰীক প্ৰাৰম্ভিক পৰ্যায়ৰ জ্ঞান দিয়াৰ যথোচিত প্ৰয়াস কৰা হৈছে।

অষ্টম শ্ৰেণীৰ বাবে প্ৰস্তুত কৰি উলিওৱা এই পাঠ্যপুথিখনতো বিষয়বস্তুৰ ধাৰাবাহিকতা ৰক্ষা কৰি দুয়োটা দিশতে পাঠসমূহ এনেদৰে প্ৰস্তুত কৰা হৈছে যাতে ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষকেও বিষয় দুটাৰ ওপৰত অৱলোকন কৰি আনন্দ পায়। পাঠসমূহ প্ৰস্তুত কৰাৰ সময়ত যথেষ্ট সাৱধানতা অৱলম্বন কৰা হৈছে যাতে পাঠৰ বাবে নিৰ্ধাৰণ কৰা অৰ্হতাসমূহৰ পৰা পাঠৰ বৰ্ণনা অকণো বিচ্যুত নহয়। তাৰ লগে লগে অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ দিশটোক গুৰুত্ব দি পাঠসমূহ এনেদৰে পৰিকল্পনা কৰা হৈছে যাতে শ্ৰেণীকোঠা বা ঘৰত পাঠটো আগবঢ়াই নিয়াত শিক্ষক-শিক্ষয়িত্ৰী তথা অভিভাৱকৰ অকণো আহুকাল নহয় আৰু ছাত্ৰ-ছাত্ৰীয়েও অতি সহজে পাঠভিত্তিক অৰ্হতাসমূহ আয়ত্ত কৰিব পাৰে।

মুঠৰ ওপৰত পাঠ্যপুথিখনৰ এই খণ্ডটিৰ জৰিয়তে অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান বিষয়ৰ ওপৰত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ বয়সোপযোগী জ্ঞান অৰ্জন কৰিব পাৰিব বুলি ধাৰণা কৰা হৈছে। আমাৰ আশা, যিহেতু এই দুয়োটা দিশেই মানুহৰ দৈনন্দিন জীৱনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে, সেয়েহে বিষয় দুটাৰ অধ্যয়নৰ জৰিয়তে এই বয়সৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলে এক সচেতন মানসিকতাৰ অধিকাৰী হোৱাৰ লগতে ভৱিষ্যতে নিজকে এজন সুস্থ, সমৃদ্ধ নাগৰিক হিচাপে প্ৰতিপন্ন কৰি নিজৰ লগতে সমাজকো গৌৰৱান্বিত কৰিব পাৰিব।

# পাঠ - ১৭

# মানৱ সম্পদ উন্নয়ন, মানৱ সম্পদ উন্নয়নৰ নিৰ্দেশক আৰু মানৱ সম্পদ উন্নয়নত বৃত্তিমূলক শিক্ষাৰ ভূমিকা

**মূল অৰ্হতা ঃ**

- মানৱ সম্পদ কি, সেই বিষয়ে জানিব।
- মানৱ সম্পদ উন্নয়নৰ ধাৰণা লাভ কৰিব।
- জনসংখ্যাৰ লগত মানৱ সম্পদৰ সম্পৰ্ক বুজি পাব।
- মানৱ সম্পদ উন্নয়নৰ কিছু নিৰ্বাচিত নিৰ্দেশকৰ বিষয়ে জানিব।
- আৰ্থ-সামাজিক উন্নয়নত মানৱ সম্পদৰ ভূমিকাৰ বিষয়ে অৱগত হ'ব।
- মানৱ সম্পদ উন্নয়নত বৃত্তিমূলক শিক্ষাৰ গুৰুত্ব বুজি পাব।

তোমোলোকে ইতিমধ্যে প্ৰাকৃতিক আৰু মানৱ সম্পদৰ বিষয়ে আগৰ শ্ৰেণীৰ পাঠত ভালেখিনি কথা শিকি আহিছা। প্ৰাকৃতিক সম্পদ প্ৰচুৰ পৰিমাণে থাকিলেই এখন দেশৰ উৎপাদন বৃদ্ধি নাপায় যদিহে সেই সম্পদৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন উৎপাদনমুখী কাৰ্য সংঘটিত নহয়। উৎপাদন প্ৰক্ৰিয়াৰ এক অন্যতম কাৰক হ'ল শ্ৰম য'ত অংশগ্ৰহণ কৰিব পাৰে একমাত্ৰ মানুহে। কিন্তু সকলো মানুহে আকৌ উৎপাদনত অংশ ল'ব নোৱাৰে যদিহে তেওঁ শাৰীৰিক আৰু মানসিকভাৱে শ্ৰম কৰিবলৈ সক্ষম নহয়। সেয়েহে এখন দেশৰ জনসংখ্যা বৃদ্ধি হোৱাটোৱে মানৱ সম্পদ বৃদ্ধি হোৱাটো নুবুজায়। সম্পদ হ'বলৈ মানুহ কিছুমান গুণৰ অধিকাৰী হ'ব লাগিব। এইখিনিৰ পৰা তোমালোকে ধাৰণা কৰিব পাৰিলা যে মানুহ মাত্ৰেই সম্পদ নহয়। সম্পদ হিচাপে বিবেচিত হ'বলৈ হ'লে মানুহে উন্নতমানৰ জীৱন নিৰ্বাহৰ বাবে প্ৰয়োজনীয় শিক্ষা আৰু প্ৰশিক্ষণপ্ৰাপ্ত হোৱাৰ লগতে সুস্বাস্থ্যৰো অধিকাৰী হ'ব লাগিব। কিন্তু উচ্চ শিক্ষা আৰু প্ৰশিক্ষণ ল'লেই এজন সুস্বাস্থ্যৰ অধিকাৰী লোক মানৱ সম্পদলৈ ৰূপান্তৰ হ'ব নোৱাৰে যদিহে তেওঁ কাৰিকৰী দক্ষতা, কুশলতা, ব্যৱস্থাপনা আদিৰ দৰে গুণবোৰৰ বিকাশৰ জৰিয়তে উৎপাদন কাৰ্যত জড়িত নহয়। এই কথাখিনি পৰিষ্কাৰকৈ বুজিবলৈ তলৰ পৰিয়াল দুটিৰ কথাখিনি মন কৰা।



### অমল শইকীয়াৰ পৰিয়াল ঃ

অমল শইকীয়া গাঁৱৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক। পত্নী ৰেখাই নিতান্ত ঘৰুৱা কাম-বন খিনিহে চম্ভালে। তেওঁলোকৰ ল'ৰা দুজন। এজন বিজ্ঞানত

স্নাতক আৰু আনজনে অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লৈ চৰকাৰী চাকৰিৰ পিছত দৌৰি ফুৰিছে। চাকৰিৰ বাহিৰে অন্য কাম কৰিবলৈ দুয়োজনেই অনিচ্ছুক। শিক্ষা সাং কৰাৰ কে'বা বছৰো উকলিল কিন্তু ল'ৰা দুজনৰ এজনেও চাকৰি যোগাৰ কৰিবলৈ নোৱাৰিলে। চাওঁতে চাওঁতে অমল শইকীয়াইও চাকৰিৰ পৰা অৱসৰ পালে। পেন্সনৰ টকাৰে চাৰিজনীয়া পৰিয়ালটো পোহ-পাল যোৱাত বৰ কষ্ট হ'ল। কিন্তু এনে অৱস্থাতো ল'ৰা দুজনৰ এজনেও উপাৰ্জন কৰিব পৰা কোনো এটা কামত হাত নিদিলে। হতাশাই অমল শইকীয়াক হেঁচা মাৰি ধৰিলে। এটা সময়ত তেওঁ শয্যাশায়ী হ'ল। পৰিয়ালটোৰ দুৰ্দশাই চৰম সীমা পালে।

### খলিলুৰ ৰহমানৰ পৰিয়াল ঃ

একেখন গাঁৱৰে খলিলুৰ ৰহমান বৃত্তিত খেতিয়ক। পত্নী চাকিনাও বৰ কৰ্মী। ঘৰুৱা কাম-বনৰ লগতে চাকিনাই তাঁতশালত কাপোৰ বয়। সেই কাপোৰ বিক্ৰী কৰি মাহেকত তেওঁ কিছু টকা উপাৰ্জন কৰে। তেওঁলোকৰো ল'ৰা-ছোৱালী এহাল। মেট্ৰিক পাছ কৰাৰ পিছত ল'ৰাটোৱে আৰু আনুষ্ঠানিক শিক্ষা নল'লে। পঢ়া-শুনাতকৈ আন কিছুমান কামত ল'ৰাটোৰ নিচা বেছি। সেয়েহে দেউতাকে তাৰ মনোভাব বুজি চহৰৰ কাপোৰ চিলাই কৰা কাৰখানাত দৰ্জীৰ প্ৰশিক্ষণ ল'বলৈ পৰামৰ্শ দিলে। দেউতাকৰ কথা মতে ল'ৰাটোৱে প্ৰশিক্ষণ লোৱাৰ উদ্দেশ্যে চহৰলৈ গ'ল। এবছৰৰ পিছত প্ৰশিক্ষণ সমাপ্ত কৰি তেওঁ ঘৰলৈ উভতি আহি গাঁৱৰে তিনিআলি চ'কত এখন কাপোৰ চিলাই কৰা দোকান খুলিলে। ল'ৰাজনৰ নিখুত কামৰ নমুনা দেখি গাঁৱৰ মানুহেও চহৰলৈ নগৈ তাতেই কাপোৰ চিলাই কৰিবলৈ দিয়া হ'ল। এতিয়া চিলাই কাম কৰিয়ে তেওঁ মাহেকত আঠ-ন হাজাৰ টকা উপাৰ্জন কৰে। ৰহমানৰ ছোৱালীজনীৰ সোঁ ভৰিখন অলপ চুটি। কিন্তু শাৰীৰিক বাধা নেওচি ছোৱালীজনীয়েও উচ্চতৰ মাধ্যমিক পৰীক্ষা শেষ কৰি চহৰলৈ গৈ ছমহীয়া বিউটিচিয়ানৰ প্ৰশিক্ষণ লৈ আহি গাঁৱতে এখন বিউটি পাৰ্লাৰ খুলিলে। এতিয়া সেই পাৰ্লাৰতো গ্ৰাহকৰ ভিৰ। মুঠৰ ওপৰত চাৰিওজন সদস্যৰে নিজা নিজা উপাৰ্জন। কোনেও কাৰো মুখলৈ চাব নালাগে। খলিলুৰ ৰহমানে সঞ্চয়ৰ ধনেৰে ট্ৰেক্টৰ এখনো কিনি ল'লে। বৰ্তমান সেই পৰিয়ালটো গাঁওখনৰ এটা সচ্ছল পৰিয়াল।





উল্লিখিত পৰিয়াল দুটাৰ উদাহৰণৰ পৰা কি ধাৰণা কৰিব পাৰিলা? দুয়োটা পৰিয়ালৰ দুটা ভিন্ন আৰ্থিক ৰূপ, নহয় জানো? মানুহ উচ্চ শিক্ষিত আৰু প্ৰশিক্ষিত হ'লেও উপাৰ্জনক্ষম হ'ব নোৱাৰে যদিহে তেওঁ সঠিক দিশত নিজৰ শিক্ষা বা প্ৰশিক্ষণক ব্যৱহাৰ নকৰে।

**ক্ৰিয়াকলাপ ঃ**

- 'প্ৰাকৃতিক সম্পদ প্ৰচুৰ পৰিমাণে থাকিলে বা জনসংখ্যা বৃদ্ধি হ'লেই দেশ এখনৰ উৎপাদন বৃদ্ধি নহয়'— কথাষাৰৰ তাৎপৰ্য দলত আলোচনা কৰি মতামত লিখা।

চমু উত্তৰ দিয়া—

- অমল শইকীয়াৰ পৰিয়ালত দুৰ্দশা নামি অহাৰ কাৰণ কি?
- কোনটো পৰিয়ালৰ মানুহখিনি মানৱ সম্পদ হিচাপে বিবেচিত হৈছে?
- খলিলুৰ ৰহমানৰ ল'ৰা-ছোৱালী হালে প্ৰশিক্ষণ লৈ কি কৰিলে?
- মানুহ কেতিয়া সম্পদ হিচাপে পৰিগণিত হয়?

এইখিনিতে মন কৰিবলগীয়া কথা যে— **বিশেষ ভাৱে সক্ষম মানুহো মানৱ সম্পদ হিচাপে বিবেচিত হ'ব পাৰে যদিহে উপযুক্ত শিক্ষা আৰু প্ৰশিক্ষণৰ জৰিয়তে তেওঁ কোনো উৎপাদন কাৰ্যত নিয়োজিত হয়।**

জানি থওঁ আহা

- আমাৰ চৰকাৰে ৮০ শতাংশ বা ততোধিক অক্ষমতা থকা ব্যক্তিক জটিল অক্ষমতাগ্ৰস্ত ব্যক্তি বুলি বিবেচনা কৰিছে। ইতিমধ্যে ১৯৯৫ চনৰ পৰা দেশত 'অক্ষমতাগ্ৰস্ত ব্যক্তিৰ সমান সুযোগ, সুৰক্ষা, অধিকাৰ আৰু সম্পূৰ্ণ অংশগ্ৰহণ' আইন প্ৰৱৰ্তন হৈছে।

## মানৱ সম্পদৰ উন্নয়ন ঃ

তোমালোকে ইতিমধ্যে ধাৰণা কৰিব পাৰিলা যে মানুহৰ সংখ্যা বৃদ্ধি হ'লেই মানৱ সম্পদৰ বৃদ্ধি নহয়। মানুহক কেনেদৰে আমি সম্পদলৈ ৰূপান্তৰ কৰিব পাৰো সেই বিষয়ে যোৱা শ্ৰেণীৰ পাঠত তোমালোকে কিছু কথা পঢ়িছিলা। দেশৰ উৎপাদন কাৰ্যৰ চাৰিটা মূল উপাদান আছে। সেয়া হ'ল— ভূমি, শ্ৰম, মূলধন আৰু সংগঠন। ইয়াৰে প্ৰথমটোৰ বাহিৰে বাকী আটাইকেইটা উপাদানত মানুহৰ প্ৰত্যক্ষ অৱদান থাকে। গতিকে দেশৰ উৎপাদন বৃদ্ধি কৰিবলৈ হ'লে মানৱ সম্পদৰ বিকাশ হ'বই লাগিব। যিমানেই মানৱ সম্পদৰ উন্নয়ন হ'ব সিমানেই দেশে উৎপাদন কাৰ্যত সফলতা লাভ কৰিব আৰু ৰাষ্ট্ৰীয় আয় বৃদ্ধি হ'ব। ৰাষ্ট্ৰীয় আয়ৰ বৃদ্ধিয়ে দেশ এখন স্বাৱলম্বী হোৱাত সহায় কৰে। বৰ্তমানৰ বিকশিত অৰ্থনীতিৰ প্ৰেক্ষাপটত মানৱ সম্পদ উন্নয়নৰ বিষয়টোৱে যথেষ্ট তাৎপৰ্য বহণ কৰিছে। মানৱ সম্পদ উন্নয়নৰ মূল চালিকা শক্তি হৈছে স্বাস্থ্য, উপযুক্ত শিক্ষা আৰু প্ৰশিক্ষণ। কাৰণ শিক্ষা আৰু প্ৰশিক্ষণে মানুহৰ চিন্তাশক্তি জাগ্ৰত কৰে আৰু দক্ষতা বৃদ্ধি কৰে। আকৌ সুস্বাস্থ্যই মানুহৰ কৰ্মশক্তি বঢ়ায়।

জানি থওঁ আহা

- ভাৰতৰ মুঠ জনসংখ্যা ঃ ১২১,০১,৯৩,৪২২ জন।
- ভাৰতৰ আয়তন ঃ ৩২,৭৮,২৬৩ বৰ্গ কিল'মিটাৰ।
- জনসংখ্যাৰ ঘনত্ব ঃ ৩৮২ জন।

*উৎস ঃ লোকপিয়ল, ২০১১, পৃষ্ঠা ৩*

আমাৰ দেশৰ চৰকাৰে প্ৰৱৰ্তন কৰা আধুনিক আৰু বিজ্ঞানসম্মত শিক্ষা ব্যৱস্থা, স্বাস্থ্য নীতি, বিভিন্ন আঁচনি, জলপানীৰ ব্যৱস্থা, উন্নত মানৱ প্ৰশিক্ষণ তথা বিভিন্ন সা-সুবিধাৰ ফলত বৰ্তমান দেশৰ মানৱ সম্পদ উন্নয়নৰ দিশটো যথেষ্ট সবল হৈছে। অৱশ্যে এই দিশত ক্ষিপ্ৰতা লাভ কৰিবলৈ আমাৰ দেশক এতিয়াও কিছু সময় লাগিব। কাৰণ ভূ-আয়তনৰ তুলনাত দেশৰ জনসংখ্যাৰ ঘনত্ব বহু বেছি। ইমান সংখ্যক মানুহক একেলগে উপযুক্ত শিক্ষা, খাদ্য, বাসস্থান, কৰ্মসংস্থান আৰু স্বাস্থ্যৰ সুবিধা প্ৰদান কৰাটো বৰ সহজ কাম নহয়। কিন্তু পৰিবৰ্তিত সময়ৰ লগত খাপ খুৱাবলৈ আমাৰ দেশৰ চৰকাৰেও উল্লিখিত দিশসমূহত যথেষ্ট মনোনিৱেশ কৰিছে। সেয়েহে আগৰ তুলনাত দেশত শিক্ষিত মানুহৰ হাৰ বৃদ্ধি পাইছে আৰু তাৰ লগে লগে মানুহ সম্পদলৈ উন্নীত হৈছে।

## মানৱ সম্পদ উন্নয়নৰ নিৰ্দেশক ঃ

এখন দেশৰ মানৱ সম্পদ কিমান উন্নত বা গুণগত তাক জানিবলৈ আমি সমাজ ব্যৱস্থাত কিছুমান বিশেষ দিশৰ ওপৰত আলোকপাত কৰিব লাগিব। যিবোৰ দিশ লক্ষ্য কৰিলে দেশ এখনৰ মানৱ সম্পদ উন্নয়নৰ আভাস পোৱা যায় সেইবোৰকে মানৱ সম্পদ উন্নয়নৰ নিৰ্দেশক বুলি কোৱা হয়। এনে নিৰ্দেশকসমূহৰ কিছুমান উল্লেখযোগ্য নিৰ্দেশক হ'ল এনেধৰণৰ—

### শিক্ষাৰ হাৰ ঃ

গুণগত শিক্ষা মানৱ সম্পদ উন্নয়নৰ প্ৰাথমিক কাৰক। শিক্ষা ব্যৱস্থা সঠিক হ'লেহে উন্নত মানৱ সম্পদ তৈয়াৰ হোৱা সম্ভৱ হয়। প্ৰকৃত শিক্ষাই জ্ঞান আৰু দক্ষতা বৃদ্ধি কৰে। জ্ঞান আৰু দক্ষতা বৃদ্ধি কৰিব পৰা শিক্ষাৰ যোগেদি শিক্ষিতৰ হাৰ বঢ়াব পৰাটোৱে মানৱ সম্পদৰ উন্নয়নৰ কথা সূচায়। যি দেশত শিক্ষিতৰ হাৰ উচ্চ সেই দেশৰ মানৱ সম্পদৰ মানো উন্নত। উদাহৰণ স্বৰূপে জাপান, ইংলণ্ড, আমেৰিকা আদি দেশত শিক্ষিতৰ হাৰ অধিক আৰু সেইবিলাক দেশৰ মানৱ সম্পদো উন্নত। তলৰ তালিকাখনৰ পৰা ভাৰত আৰু জাপানৰ শিক্ষাৰ তুলনামূলক ছবিখনৰ ধাৰণা কৰা।

**২০১১ চনৰ ভাৰত আৰু জাপানৰ মুঠ শিক্ষিতৰ হাৰ**

| চন | দেশ/ৰাজ্য | মুঠ শিক্ষিতৰ হাৰ | পুৰুষ শিক্ষিতৰ হাৰ | মহিলাৰ শিক্ষিতৰ হাৰ |
|---|---|---|---|---|
| ২০১৭ | ভাৰত | ৭৮.২৮ | ৮৪.৭৫ | ৭১.৩৪ |
| ২০১৭ | জাপান | ৯৯.০ | ৯৯.৯ | ৯৯.৭ |

উৎস ঃ www.pincodeindia.net

### জীৱনৰ প্ৰত্যাশা ঃ

মানৱ সম্পদ উন্নয়নৰ আন এটি নিৰ্দেশক হৈছে জীৱনৰ প্ৰত্যাশা। এটি শিশু জন্মৰ পিছৰ পৰা কিমান বয়সলৈ সুস্থ, সবলভাৱে জীয়াই থাকে তাক জীৱন প্ৰত্যাশাই নিৰ্ণয় কৰে। এই প্ৰত্যাশা যিমানে বেছি হ'ব মানুহক সম্পদলৈ ৰূপান্তৰ কৰাৰ হাৰো সিমানেই বেছি হ'ব। সেয়েহে উচ্চ জীৱন প্ৰত্যাশা উন্নত মানৱ সম্পদৰ নিৰ্ণায়ক।

### জন্মকালীন শিশুৰ মৃত্যুৰ হাৰ ঃ

এখন দেশত জন্মকালীন শিশু মৃত্যুৰ হাৰ হ্ৰাস হোৱাটো সেই দেশখনৰ মানৱ সম্পদ উন্নয়নৰ আন এটি প্ৰধান নিৰ্দেশক হিচাপে বিবেচিত হয়। তলৰ তালিকাখন মন কৰা—

**শিশু মৃত্যুৰ হাৰ (প্ৰতি হাজাৰত)**

| চন | ভাৰত | অসম |
|---|---|---|
| ২০০৯ | ৫০ | ৬১ |
| ২০১৪ | ৩৯ | ৪৯ |

উৎস ঃ ইক'নমিক ছাৰ্ভে, অসম ২০১৬-১৭, পৃষ্ঠা ২৮১

ওপৰৰ তালিকাত আমাৰ দেশ আৰু ৰাজ্যৰ দুটা বছৰৰ জন্মকালীন শিশুৰ মৃত্যুৰ হাৰ দেখুওৱা হৈছে। তালিকাখনৰ পৰা এইটো স্পষ্ট হৈছে যে জন্মকালীন অৱস্থাত শিশুৰ মৃত্যুৰ সংখ্যা আমাৰ দেশত এতিয়াও যথেষ্ট সংখ্যক। অসমত তাতোকৈও বেছি। মানৱ সম্পদৰ উন্নয়ন হ'ব লাগিলে এনে মৃত্যুৰ হ্ৰাস পাব লাগিব।

### জনমূৰি আয় ঃ

দেশ এখনৰ মুঠ ৰাষ্ট্ৰীয় আয়ক দেশখনৰ মুঠ জনসংখ্যাৰে হৰণ কৰিলে যি আয় উপলব্ধ হয় তাক জনমূৰি আয় বোলা হয়। জনমূৰি আয় বৃদ্ধি পোৱাটোৱে মানৱ সম্পদ উন্নয়নৰ কথাকে সূচায়। উন্নত জনমূৰি আয় উন্নত মানৱ সম্পদৰ পৰিচায়ক।

### বিদ্যালয় ভৰ্তি আৰু বিদ্যালয় এৰাৰ হাৰ ঃ



প্ৰাথমিক স্তৰৰ পৰা উচ্চ শিক্ষাৰ স্তৰ পৰ্যন্ত বিদ্যালয়, মহাবিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ ভৰ্তিকৰণৰ হাৰ উচ্চ আৰু বিদ্যালয় বা মহাবিদ্যালয় এৰাৰ হাৰ নিম্ন হোৱাটো মানৱ সম্পদ উন্নয়নৰ আন এটি উল্লেখযোগ্য নিৰ্দেশক।

### প্ৰতিষেধক টিকাকৰণৰ হাৰ ঃ

এখন দেশৰ প্ৰতিষেধক টিকাকৰণৰ হাৰেও দেশখনৰ মানৱ সম্পদ উন্নয়নৰ সাক্ষ্য বহন কৰে। কিয়নো ই শিশুৰ স্বাস্থ্য আৰু দীৰ্ঘজীৱনৰ সুৰক্ষা প্ৰদান কৰে। সেয়েহে প্ৰতিষেধক টিকাকৰণৰ হাৰকো মানৱ সম্পদৰ নিৰ্দেশক হিচাপে বিবেচনা কৰা হয়।

**ক্ৰিয়াকলাপ ঃ**

- ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযান আঁচনিৰ অধীনত দেশৰ সকলো ৰাজ্যৰ লগতে আমাৰ ৰাজ্যতো প্ৰতিবছৰে নিৰ্ধাৰিত দিনত শিশুৰ প্ৰতিষেধক টিকাকৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। তোমাৰ অঞ্চল বা তাৰ আশে-পাশে অনুষ্ঠিত হোৱা এনে অনুষ্ঠানলৈ গৈ শিশুৰ টিকাকৰণ প্ৰক্ৰিয়াত সহযোগ কৰা আৰু শিশুৰ স্বাস্থ্য ৰক্ষাত প্ৰতিষেধক টিকাকৰণৰ গুৰুত্বৰ ওপৰত এটি টোকা প্ৰস্তুত কৰা। (চিকিৎসক/নাৰ্ছৰ সহায় ল'বা)

### চমু উত্তৰ দিয়া—

১। শিক্ষাৰ উচ্চ হাৰে কিদৰে মানৱ সম্পদৰ উন্নয়ন হোৱা বুজায়?

২। জীৱনৰ প্ৰত্যাশা মানে কি?

৩। মানৱ সম্পদৰ উন্নয়নৰ বাবে প্ৰতিষেধক টিকাকৰণৰ হাৰ উচ্চ হ'ব লাগে নে নিম্ন হ'ব লাগে?

৪। জনমূৰি আয়ৰ বৃদ্ধিয়ে মানৱ সম্পদৰ উন্নয়ন হোৱাটোকে সূচায়নে?



### মানৱ সম্পদ উন্নয়নত বৃত্তিমূলক শিক্ষাৰ ভূমিকা ঃ

ষষ্ঠ শ্ৰেণীৰ পাঠত তোমালোকে বিভিন্ন বৃত্তিৰ বিষয়ে জানি আহিছা। আদিম মানুহৰ প্ৰাচীনতম বৃত্তি কি আছিল মনত পেলোৱাচোন? এই পাঠত বৃত্তিমূলক শিক্ষানো কি তাৰ বিষয়ে কিছু আলোচনা কৰিম। তোমালোকে পাঠৰ আৰম্ভণিতে সন্নিবিষ্ট কৰা অমল শইকীয়া আৰু খলিলুৰ ৰহমানৰ পৰিয়াল দুটাৰ প্ৰতিচ্ছবি দুখন মন কৰা। শইকীয়াৰ ল'ৰা দুজন উচ্চ শিক্ষা আহৰণ কৰাৰ পিছতো জীৱন নিৰ্বাহৰ বাবে স্বনিৰ্ভৰশীল হ'ব পৰা নাছিল। আনহাতে ৰহমানৰ ল'ৰা হোৱালীহালে প্ৰশিক্ষণ লৈ জীৱন নিৰ্বাহৰ বাবে স্বনিৰ্ভৰশীল হৈ জীৱন নিৰ্বাহ কৰিবলৈ শিকিছিল। উচ্চ শিক্ষা লাভ কৰিও শইকীয়াৰ ল'ৰা দুজনে চৰকাৰী চাকৰি নোপোৱাৰ বাবে



নিবনুৱা হৈ ঘৰতে বহি থাকিব লগা হ'ল। কৰ্মসংস্থানৰ অভাৱ হ'লে মানুহৰ আয়ৰ উৎস নাথাকে। ফলত দৰিদ্ৰতা বাঢ়ে। দৰিদ্ৰতাই মানৱ সম্পদ উন্নয়নত বাধাৰ সৃষ্টি কৰে। উচ্চ শিক্ষা গ্ৰহণ কৰাৰ পিছত চৰকাৰে সকলো শিক্ষিত ব্যক্তিকে চাকৰি যোগান ধৰাটো সম্ভৱ নহয়।

তোমালোকে জানি আহিছা যে উচ্চ শিক্ষা গ্ৰহণ কৰাৰ পিছতো ব্যক্তি এজনে মানৱ সম্পদ হ'ব নোৱাৰে যদিহে তেওঁ উৎপাদন কাৰ্যত কোনো অৰিহণা যোগাব নোৱাৰে। ২০১১ চনৰ লোকপিয়লৰ হিচাপ মতে অসমৰ জনসংখ্যা ৩,১১,৬৯,২৭২ জন। শতকৰা ৮৭ জন মানুহে গাঁৱত বাস কৰে। খেতি-বাতিয়েই হৈছে গাঁৱৰ মানুহৰ ঘাই জীৱিকা। দুখৰ বিষয় যে অসমত শতকৰা ৩৪ জন মানুহ এতিয়াও দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। সাক্ষৰতাৰ হাৰ ৭৩.১৮, ভাৰতৰ তুলনাত সামান্য কম। এক বুজন পৰিমাণৰ শিক্ষিত নিবনুৱাই মানৱ সম্পদৰ উন্নয়নত প্ৰাচীৰৰূপে থিয় দিছে। দিনক দিনে শিক্ষিত নিবনুৱাৰ সংখ্যা বৃদ্ধি হৈ গৈ আছে। অৰ্থাৎ প্ৰচলিত শিক্ষা ব্যৱস্থাই আমাক আত্মনিৰ্ভৰশীল কৰি গঢ়ি তুলিব পৰা নাই। গতিকে এতিয়া আমাৰ এনে শিক্ষাৰ প্ৰয়োজন হৈ পৰিছে যি শিক্ষাই প্ৰতিজন ব্যক্তিক উৎপাদনৰ ক্ষেত্ৰত স্ব-নিৰ্ভৰশীল কৰি গঢ়ি তুলিব পাৰে। এই কাৰণেই বৃত্তিমূলক শিক্ষাৰ প্ৰয়োজন আহি পৰিছে। জীৱন ধাৰণৰ বাবে ব্যক্তি এজনে যি কাম কৰে তাক সেই মানুহজনৰ বৃত্তি বুলি কোৱা হয়। কোনো ব্যক্তিয়ে কাপোৰ চিলাই কৰাৰ প্ৰশিক্ষণ লৈ দৰ্জী হিচাপে জীৱিকা অৰ্জন কৰিলে সেইটোৱেই হ'ব তেওঁৰ বৃত্তি। মানুহৰ দৈনন্দিন জীৱনৰ প্ৰয়োজন অনেক। এই প্ৰয়োজনসমূহ পূৰ কৰিব পাৰে কিছুমান দক্ষ ব্যক্তিয়ে। কাৰোবাৰ ঘৰত পানীকলৰ বিজুতি ঘটিলে প্ৰয়োজন হয় পানীকল মিস্ত্ৰীৰ। ঠিক তেনেদৰে মটৰ মেকানিক, কাঠমিস্ত্ৰী, ৰাজমিস্ত্ৰী, পেইণ্টাৰ, বিউটিচিয়ান, ইলিকট্ৰিচিয়ান, ম'বাইল, কম্পিউটাৰ ভাল কৰা মানুহ আধুনিক জীৱনৰ অপৰিহাৰ্য অংগ। এই বিষয়বোৰত প্ৰশিক্ষণ লৈ মানুহে অতি সহজে উপাৰ্জনৰ পথ মোকলাব পাৰে। আনুষ্ঠানিক শিক্ষাৰ উপৰি যি শিক্ষাৰ দ্বাৰা উপাৰ্জনৰ পথ মুকলি হয় তাকে **বৃত্তিমূলক শিক্ষা** বোলে। বৃত্তিমূলক শিক্ষাই মানুহক অকল উপাৰ্জনক্ষমেই নকৰে তাৰ লগে লগে দেশৰ নিবনুৱা সমস্যা লাঘৱ কৰি স্বনিয়োজনৰ পথ মুকলি হোৱাত সহায় কৰে। মানুহক আৰ্থিকভাৱে আত্মনিৰ্ভৰশীল কৰাত বৃত্তিমূলক শিক্ষাই সবল ভূমিকা লয়। সেয়েহে আমাৰ চৰকাৰে বৰ্তমান এই শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে।

**জানি থওঁ আহা**

- অসম চৰকাৰে এই পৰ্যন্ত ১৫০খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বৃত্তিমূলক শিক্ষা প্ৰদানৰ বাবে ব্যৱস্থা হাতত লৈছে।
- সমগ্ৰ ভাৰতবৰ্ষৰ উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলে ভৰ্তি হ'ব পৰাকৈ প্ৰায় ৬ হেজাৰ বিদ্যালয়ত ১৬০টা বৃত্তিমূলক শিক্ষাৰ পাঠ্যক্ৰম প্ৰচলন কৰা হৈছে।

**ক্ৰিয়াকলাপ ঃ**

- পাঠত উল্লেখ কৰাৰ উপৰি আৰু কিছুমান বৃত্তিৰ বিষয়ে দলত আলোচনা কৰা। সেই বৃত্তিসমূহে মানুহক উপাৰ্জনশীল হোৱাত কেনেদৰে সহায় কৰে ব্যাখ্যা কৰা।

## মনত ৰাখিবলগীয়া কথা ঃ

- প্ৰাকৃতিক সম্পদ প্ৰচুৰ পৰিমাণে থাকিলে বা জনসংখ্যা বৃদ্ধি হ'লেই দেশৰ উৎপাদন বৃদ্ধি নাপায়।
- সুস্বাস্থ্যৰ অধিকাৰী যি ব্যক্তিয়ে শিক্ষা আৰু প্ৰশিক্ষণৰ দ্বাৰা কৌশলী আৰু দক্ষতাসম্পন্ন হৈ উৎপাদনমূলক কামত নিজকে জড়িত কৰে তেওঁকেই মানৱ সম্পদ বুলি কোৱা হয়।
- এজন বিশেষ ভাৱে সক্ষম মানুহো মানৱ সম্পদ হিচাপে বিবেচিত হ'ব পাৰে যদিহে শিক্ষা বা প্ৰশিক্ষণৰ জৰিয়তে তেওঁ কোনো উৎপাদন কাৰ্যত নিয়োজিত হয়।
- উৎপাদনৰ চাৰিটা মূল উপাদান আছে। সেয়া হ'ল ভূমি, শ্ৰম, মূলধন আৰু সংগঠন।
- যিমানেই মানৱ সম্পদৰ উন্নয়ন হয়, সিমানেই দেশে উৎপাদন কাৰ্যত সফলতা লাভ কৰে আৰু ৰাষ্ট্ৰীয় আয় বৃদ্ধি হয়।
- মানৱ সম্পদ উন্নয়নৰ মূল চালিকা শক্তি হৈছে স্বাস্থ্য, উপযুক্ত শিক্ষা আৰু প্ৰশিক্ষণ।
- যিবোৰ দিশ লক্ষ্য কৰিলে দেশ এখনৰ মানৱ সম্পদ উন্নয়নৰ আভাস পোৱা যায় সেইবোৰকে মানৱ সম্পদ উন্নয়নৰ নিৰ্দেশক বুলি কোৱা হয়।
- মানৱ সম্পদ উন্নয়নৰ কিছুমান উল্লেখযোগ্য নিৰ্দেশক হ'ল— শিক্ষাৰ হাৰ, জীৱনৰ প্ৰত্যাশা, জন্মকালীন শিশুৰ মৃত্যুৰ হাৰ, জনমূৰি আয়, বিদ্যালয়ত নামভৰ্তি আৰু বিদ্যালয় এৰাৰ হাৰ, প্ৰতিষেধক টিকাকৰণৰ হাৰ আদি।
- আনুষ্ঠানিক শিক্ষাৰ উপৰি যি শিক্ষাৰ দ্বাৰা উপাৰ্জনৰ পথ মুকলি হয় তাকে বৃত্তিমূলক শিক্ষা বোলে।
- বৃত্তিমূলক শিক্ষাই মানৱ সম্পদ উন্নয়নত বিশেষ ভূমিকা পালন কৰে।
- বৃত্তিমূলক শিক্ষাই মানুহক আৰ্থিকভাৱে আত্মনিৰ্ভৰশীল কৰি স্বনিয়োজনত অৰিহণা যোগায় আৰু নিবনুৱা সমস্যা লাঘৱ কৰাত সহায় কৰে।

## অনুশীলনী ঃ

১। চমু উত্তৰ লিখা—

(ক) মানৱ সম্পদ কাক বোলে?

(খ) দেশৰ উৎপাদন কাৰ্যত কোনে অংশগ্ৰহণ কৰিব পাৰে?

(গ) মানৱ সম্পদ উন্নয়নৰ নিৰ্দেশক মানে কি?

(ঘ) বৃত্তিমূলক শিক্ষা কাক বোলে?

(ঙ) মানৱ সম্পদৰ মূল চালিকা শক্তি কি?

২। বহলাই আলোচনা কৰা —

(ক) মানৱ সম্পদ উন্নয়নৰ বাবে ল'বলগীয়া ব্যৱস্থাৱলী।

(খ) মানৱ সম্পদ উন্নয়নৰ নিৰ্দেশকসমূহ।

(গ) মানৱ সম্পদ উন্নয়ন আৰু বৃত্তিমূলক শিক্ষাৰ মাজত থকা সম্পৰ্ক।

(ঘ) বৃত্তিমূলক শিক্ষাই কিদৰে নিবনুৱা সমস্যা লাঘৱ কৰাত সহায় কৰে?

৩। শুদ্ধ/অশুদ্ধ নিৰ্ণয় কৰা —

(ক) প্ৰাকৃতিক সম্পদৰ বৃদ্ধি হ'লেই দেশৰ উৎপাদন বৃদ্ধি হয়।

(খ) মানুহ মাত্ৰেই মানৱ সম্পদ নহয়।

(গ) জনসংখ্যা বৃদ্ধিয়েই মানৱ সম্পদৰ বৃদ্ধি হোৱা নুবুজায়।

(ঘ) উচ্চ জীৱন প্ৰত্যাশাই অনুন্নত মানৱ সম্পদক সূচায়।

(ঙ) ৰাষ্ট্ৰীয় আয়ৰ বৃদ্ধিয়ে দেশ এখন স্বাৱলম্বী হোৱাত সহায় কৰে।

(চ) জন্মকালীন শিশুৰ মৃত্যুৰ হাৰে মানৱ সম্পদ উন্নয়নত বাধাৰ সৃষ্টি কৰে।

৪। খালী ঠাই পূৰ কৰা—

(ক) এখন দেশৰ উৎপাদন প্ৰক্ৰিয়াৰ এক অন্যতম কাৰক হ'ল ________ য'ত অংশগ্ৰহণ কৰিব পাৰে একমাত্ৰ ________।

(খ) ________ আয়ৰ বৃদ্ধিয়ে দেশ এখন ________ হোৱাত সহায় কৰে।

(গ) উচ্চ শিক্ষা গ্ৰহণ কৰাৰ পিছত ________ সকলো শিক্ষিত ব্যক্তিকে ________ যোগান ধৰাতো সম্ভৱ নহয়।

(ঘ) ________ শিক্ষা মানৱ সম্পদ উন্নয়নৰ ________ সোপান।

(ঙ) বৃত্তিমূলক শিক্ষাই মানুহক অকল ________ নকৰে তাৰ লগে লগে দেশৰ নিবনুৱা সমস্যা লাঘৱ কৰি ________ৰ পথ মুকলি হোৱাত সহায় কৰে।

৫। চমু টোকা লিখা —

(ক) মানৱ সম্পদ

(খ) মানৱ সম্পদ উন্নয়ন

(গ) মানৱ সম্পদ উন্নয়নৰ নিৰ্দেশক

(ঘ) বৃত্তিমূলক শিক্ষা

৬। প্ৰকল্প —

তোমাৰ নিজ অঞ্চলত জীৱিকা অৰ্জন কৰিবলৈ সক্ষম হোৱা পাঁচজন ভিন ভিন বৃত্তিধাৰী লোকৰ সাক্ষাৎকাৰ লৈ তেওঁলোকৰ জীৱিকা অৰ্জনত বৃত্তিমূলক শিক্ষাই কিদৰে অৰিহণা যোগাইছে সেই বিষয়ে একোটাকৈ চমু টোকা প্ৰস্তুত কৰা।